BN-6

# এফডি-এইচডিএফচি বেঙ্কৰ সুদ গণনা কৰাৰ পদ্ধতি

আমি বছৰ এটাত থকা দিনৰ আচল সংখ্যাৰ ওপৰত ভিত্তি কৰি সুদ গণনা কৰো। যদিহে জমাধন অধিবৰ্ষ (লিপ ইয়েৰ) বা অনা-অধিবৰ্ষ ধৰি থাকে, তেন্তে দিনৰ সংখ্যাৰ ভিত্তিত সুদ গণনা কৰা হ'ব, অৰ্থাৎ অধিবৰ্ষত 366 দিন আৰু অনা-অধিবৰ্ষত 365 দিন ধৰা হ'ব।

**উদাহৰণ :**

| বছৰটোত দিনৰ সংখ্যা 365 | বছৰটোত দিনৰ সংখ্যা 366 (অধিবৰ্ষ) |
|---|---|
| এফডি-ৰ মূলধন - 100000 | এফডি-ৰ মূলধন - 100000 |
| এফডি বুক কৰা তাৰিখ - 01-01-2010 | এফডি বুক কৰা তাৰিখ - 01-01-2012 |
| সুদৰ হাৰ - 8.00% | সুদৰ হাৰ - 8.00% |
| এফডি-ৰ ম্যাদ - 150 দিন | এফডি-ৰ ম্যাদ - 150 দিন |
| এফডি-ৰ ম্যাদপূৰ্তি তাৰিখ - 31-05-2010 | এফডি-ৰ ম্যাদপূৰ্তি তাৰিখ - 30-05-2012 |
| প্ৰদত্ত সুদ - 100000*150*8%/365=3287.67/- | প্ৰদত্ত সুদ - 100000*150*8%/366=3278.69/- |

# ফিক্সড্ ডিপজিটৰ ম্যাদপূৰ্বে সমাপ্তিৰ ক্ষেত্ৰত ধাৰ্য জৰিমনা

বেঙ্কৰ ফিক্সড্ ডিপজিট একাউন্টৰ নিয়ম আৰু চৰ্ত অনুযায়ী, চুইপ-ইন আৰু আংশিকভাবে সমাপ্তি সমন্বিতে, ফিক্স ডিপজিটৰ ম্যাদপূৰ্বে সমাপ্তি ঘটোৱাৰ ক্ষেত্ৰত বেঙ্কে জৰিমনাৰূপে 1% হাৰ ধাৰ্য কৰিছে। ই 24 জানুৱাৰী, 2011 তাৰিখৰ পৰা প্ৰযোজ্য হ'ব।

# চেভিংচ্ একাউন্টৰ সুদৰ হাৰত পৰিবৰ্তন

- চেভিংচ্ বেঙ্ক একাউন্টত সুদ দিয়া হয় বছৰি 4.00% হাৰত।
- ইয়াক হিচাপ কৰা হয় দৈনিক একাউন্টত দিনটোৰ শেষত থকা বেলেঞ্চৰ ভিত্তিত।

Validity : Permanent
Ver : BN6_V1.1_Apr12

এইচডিএফচি বেঙ্ক
আমি বুজি পাওঁ আপোনাৰ সংসাৰ